# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 01-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। সন্ত্ৰাসবাদক উৎখাত কৰাৰ আহ্বানেৰে ভাৰতৰ সংসদীয় প্ৰতিনিধি দলৰ বিদেশ ভ্ৰমণৰ জৰিয়তে আৰম্ভ হোৱা উচ্চ পৰ্যায়ৰ আলাপ-আলোচনা অব্যাহত আছে।

২। বিকশিত কৃষি সংকল্প অভিযান মাথো এখন চৰকাৰী আঁচনিয়ে নহয়, বৰং গণ আন্দোলন বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে মন্তব্য কৰিছে।

৩। উত্তৰ-পূৰ্বাঞ্চলৰ ছখন ৰাজ্যত কেইবাদিনো ধৰি হৈ থকা মজলীয়াৰ পৰা ধাৰাষাৰ বৰষুণৰ বাবে স্বাভাৱিক জীৱন যাত্ৰা বাৰুকৈ ব্যাহত হৈছে।

৪। **ফিট ইণ্ডিয়া ছানডে অন চাইকেল** উদ্যমৰ ২৫ সংখ্যক সংস্কৰণ আজি দেশজুৰি বিশেষ ত্ৰিৰংগ ৰেলী হিচাপে পালন কৰা হ'ব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দ্বিতীয়খন কোৱালিফায়াৰত মুম্বাই ইণ্ডিয়ানছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সন্ত্ৰাসবাদক উৎখাত কৰাৰ আহ্বানেৰে ভাৰতৰ সংসদীয় প্ৰতিনিধি দলৰ বিদেশ ভ্ৰমণৰ জৰিয়তে আৰম্ভ হোৱা উচ্চ পৰ্যায়ৰ আলাপ-আলোচনা অব্যাহত আছে। ভিন ভিন দলৰ সাংসদসকলক লৈ গঠন কৰা এনে ৭টা প্ৰতিনিধি দলে সম্প্ৰতি বিভিন্ন দেশৰ নেতৃবৰ্গৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰি ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী স্থিতিৰ বিষয়ে তেওঁলোকক অৱগত কৰাইছে। এন চি পিৰ সৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া ছুলে নেতৃত্বৰ সৰ্বদলীয় দলটোৱে কালি আদিছ অবাবাত আফ্ৰিকীয় সংঘৰ শান্তি আৰু নিৰাপত্তা পৰিষদৰ সৈতে আলোচনাত মিলিত হয়। প্ৰতিনিধি দলটোৱে সকলোধৰণৰ সন্ত্ৰাসবাদ প্ৰতিহত কৰাৰ উপায় সম্পৰ্কে মত বিনিময় কৰে।

সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ কঠোৰ স্থিতিৰ বিষয়ে বিশ্বৰ ভিন ভিন দেশৰ নেতৃবৰ্গক অৱগত কৰোৱাৰ উদ্দেশ্যে ভ্ৰমণলৈ যোৱা দলসমূহৰ মাজৰ শিৱসেনাৰ সাংসদ ড০ শ্ৰীকান্ত একনাথ সিন্দে নেতৃত্বাধীন সৰ্বদলীয় প্ৰতিনিধি দলটোৱে তেওঁলোকৰ ছিয়েৰা লিয়ন ভ্ৰমণৰ সামৰণি মাৰিছে। তেওঁলোকে ইতিমধ্যে দেশখনৰ সংসদৰ অধ্যক্ষ, প্ৰতিৰক্ষা দপ্তৰৰ উপমন্ত্ৰী, ৰাষ্ট্ৰীয় নিৰাপত্তা সমন্বয়ক, কাৰ্যবাহী বিদেশমন্ত্ৰী আৰু উপৰাষ্ট্ৰপতিকে ধৰি উচ্চস্তৰীয় নেতৃবৰ্গৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰে। প্ৰতিনিধি দলটোৱে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূণ্য

সহনশীলতাৰ নীতিৰ বিষয়ে তেওঁলোকক অৱগত কৰোৱাৰ লগতে সন্ত্ৰাসবাদৰ পৰা উদ্ভৱ হোৱা ভাবুকী প্ৰতিহত কৰাৰ বাবে বিশ্ববাসীৰ ঐক্যবদ্ধ প্ৰচেষ্টাৰ প্ৰয়োজনৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। ভাৰতৰ স্থিতিৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াই ছিয়েৰা লিয়নে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে আলোচনাত অংশগ্ৰহণ কৰা দেশখনৰ নেতৃবৰ্গই এই ঘটনাত শোক প্ৰকাশ কৰি কিছুসময় মৌনতা অৱলম্বন কৰে।

সম্প্ৰতি লাটভিয়া ভ্ৰমণৰত ডি এম কেৰ সাংসদ কে কানিমোড়ি নেতৃত্বাধীন প্ৰতিনিধি দলটোৱে কালি দেশখনত বসবাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰে। প্ৰতিনিধি দলটোক আদৰণি জনোৱাৰ উদ্দেশ্যে ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে আয়োজন কৰা **সিন্দূৰ সন্মান** অনুষ্ঠানত ভাগ লৈ সংসদীয় প্ৰতিনিধিসকলে তেওঁলোকৰ সৈতে বিভিন্ন বিষয়ৰ লৈ মত বিনিময় কৰে।

ooooo

বিকশিত কৃষি সংকল্প অভিযান মাথো এখন চৰকাৰী আঁচনিয়ে নহয়, বৰং কৃষকসকলক বহুমূলীয়া তথ্য যোগান ধৰাৰ গণ আন্দোলন বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে মন্তব্য কৰিছে। কালি ভাৰ্চুৱেল ব্যৱস্থাৰে বিভিন্ন ৰাজ্যৰ বিধায়কৰ সৈতে হোৱা কথোপকথনত শ্ৰী চৌহানে কয়, যে এই অভিযানৰ অধীনত কৃষকসকলৰ সৈতে ঘাই ঘাই বিষয় লৈ আলোচনা কৰা হ'ব আৰু সংশ্লিষ্ট বিশেষজ্ঞসকলে তেওঁলোকৰ প্ৰশ্নৰ সমিধান দিব।

মন্ত্ৰীগৰাকীয়ে কয়, যে আসন্ন খাৰিফ শস্য বতৰত এই অভিযানৰ তাৎক্ষণিক লাভালাভ দেখিবলৈ পোৱা যাব। তেওঁ লগতে খেতিয়কসকলক বিজ্ঞানীসকলৰ সৈতে মত বিনিময় কৰিবলৈ আৰু কম খৰচি, অধিক উৎপাদনমুখী বহনক্ষম কৃষি আৰু লাভদায়ক খেতিৰ লক্ষ্যৰে প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ বাবে উৎসাহিত কৰিবলৈ বিধায়কসকলৰ প্ৰতি আহ্বান জনায়। এখন ৰাষ্ট্ৰ, একেধৰণৰ কৃষি ব্যৱস্থা, এটা দল মন্ত্ৰই সংশ্লিষ্ট সকলো পক্ষক ঐক্যবদ্ধ কৰিব আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ পথ প্ৰশস্ত কৰিব বুলি শ্ৰী চৌহানে মন্তব্য কৰে। তেওঁ কয়, যে বিকশিত কৃষি সংকল্প অভিযানৰ অধীনত দুহেজাৰ ১৭০ টা দলে বৰ্তমানলৈকে সাত হেজাৰৰো অধিক গাঁও চাৰি হাজাৰ ৪১৬ বাৰ ভ্ৰমণ কৰিছে। অভিযানৰ অধীনত প্ৰায় সাত লাখ ৯৫ হাজাৰ খেতিয়কৰ সৈতে যোগাযোগ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

উত্তৰ-পূৰ্বাঞ্চলৰ ছখন ৰাজ্যত কেইবাদিনো ধৰি হৈ থকা মজলীয়াৰ পৰা ধাৰাষাৰ বৰষুণৰ বাবে স্বাভাৱিক জীৱন যাত্ৰা বাৰুকৈ ব্যাহত হৈছে। অঞ্চলটোত বিগত ২৪ ঘণ্টাত বৰষুণৰ ফলত হোৱা ভূমিস্খলন, ঘৰ খহি পৰা আৰু ডুব যোৱাৰ ফলত ২৭ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে। ইয়াৰে ভিতৰত অৰুণাচল প্ৰদেশত ৯ গৰাকী, মেঘালয়ত ৬ গৰাকী, অসম আৰু মিজোৰামত ৫ গৰাকীকৈ আৰু ত্ৰিপুৰা আৰু নাগালেণ্ডত এগৰাকীকৈ লোক নিহত হৈছে। বংগোপসাগৰত সৃষ্টি নিম্ন চাপৰ বাবে হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত পথ যোগাযোগ ব্যাহত হৈছে।

গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে জাৰি কৰা পৰামৰ্শ অনুসৰি পশ্চিমবংগ-বাংলাদেশৰ উপকূলভাগৰ সমীপৰ বংগোপসাগৰৰ উত্তৰ-পশ্চিম অংশত সৃষ্টি হোৱা এই গভীৰ নিম্ন চাপ উত্তৰৰ দিশে অগ্ৰসৰ হৈছে আৰু পশ্চিমবংগ তথা বাংলাদেশৰ উপকূলভাগ অতিক্ৰম কৰিছে। ইয়াৰ প্ৰভাৱত উত্তৰ-পূৰ্বাঞ্চলৰ অধিকাংশ ৰাজ্যত ধাৰাষাৰ বৰষুণ হোৱা বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

ইপিনে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী দুই-তিনি দিনত দেশৰ পূব, পশ্চিম, মধ্য আৰু উত্তৰ-পূব অংশত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলী বতৰা দিছে। বিভাগটোৱে লগতে অসম, ছিকিম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু পশ্চিমবংগৰ হিমালয়ৰ পাদদেশৰ এলেকাসমূহত কাইলৈ পৰ্যন্ত বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে।

ooooo

**ফিট ইণ্ডিয়া ছানডে অন চাইকেল** উদ্যমৰ ২৫ সংখ্যক সংস্কৰণ আজি দেশজুৰি বিশেষ ত্ৰিৰংগ ৰেলী হিচাপে পালন কৰা হ'ব। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডাঃ মনসুখ মন্দাভিয়াই ৰাষ্ট্ৰীয় ৰাজধানীত এই বিশেষ সংস্কৰণত নেতৃত্ব দিব। অলিম্পিক পদক বিজেতা য়োগেশ্বৰ দত্ত, আন্তঃৰাষ্ট্ৰীয় মল্লযুঁজাৰু সৰিতা মোৰ,  প্ৰাক্তন ক্ৰিকেট খেলুৱৈ আৰু নিৰ্বাচক সবা কৰিম, বলিউডৰ অভিনেতা শৰ্‌ৰবীকে ধৰি ক্ৰীড়া আৰু মনোৰঞ্জন জগতৰ কেইবাগৰাকীও গন্যমান্য ব্যক্তিয়ে এই কাৰ্যসূচীত ভাগ ল'ব।

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে যে, ৩ জুনত পালন কৰিবলগীয়া বিশ্ব বাইচাইকেল দিৱসৰ লগতে আজিৰ এই কাৰ্যসূচীয়ে, স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত চাইকেল চালনাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বাৰ্তা বহন কৰাই নহয় বৰং সশস্ত্ৰ বাহিনীসমূহৰ প্ৰতি সমূহীয়া শ্ৰদ্ধাঞ্জলিও হ'ব। মন্ত্ৰালয়ে লগতে কৈছে যে, এই কাৰ্যসূচীত ৰাষ্ট্ৰীয় ৰাজধানীত এহেজাৰ ২০০তকৈও অধিক চাইকেল আৰোহী অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। সমগ্ৰ দেশৰ দুহেজাৰতকৈও অধিক স্থানত এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মন্ত্ৰালয়ে জনোৱা মতে তিনি লাখতকৈও অধিক নাগৰিকে এই কাৰ্যসূচীত ভাগ লৈছে। টেনিছ তাৰকা ছানিয়া মিৰ্জা, অভিনেতা মিলন সুমনকে আদি কৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে এই কাৰ্যসূচীলৈ সমৰ্থন আগবঢ়াইছে।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল কাইলৈ পাঁচদিনীয়া ভ্ৰমণসূচীৰে ন'ৰ'ৱে আৰু ডেনমাৰ্ক অভিমুখে ৰাওনা হ'ব। ন'ৰ'ৱেত শ্ৰী সোণোৱালে অছলোত নৰ ছিপিং বাণিজ্য মেলা আৰু সন্মিলনৰ  ৬০ সংখ্যক সংস্কৰণত মহাসাগৰ সম্পৰ্কীয় এখন উচ্চ পৰ্যায়ৰ বৈঠকত ভাষণ দিব আৰু প্ৰথমটো ভাৰতীয় মণ্ডপ মুকলি কৰিব। তেওঁ লগতে সন্মিলনত ভাগ লোৱাৰ সুযোগতে জাপান আৰু ন'ৰ'ৱেৰ জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব আৰু ইউৰোপৰ আগশাৰীৰ নৌ পৰিবহন কোম্পানী, প্ৰযুক্তি বিকাশক আৰু যন্ত্ৰাংশ নিৰ্মাতাৰ সৈতে মত বিনিময় কৰিব। ডেনমাৰ্কত মন্ত্ৰীগৰাকীয়ে কোপেনহেগেন ব্যৱসায় বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সৈতে ভাৰতৰ উন্নত বিকাশ যাত্ৰা আৰু অৰ্থনৈতিক সুযোগ সম্পৰ্কে আলোচনা কৰিব। তেওঁ লগতে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত প্ৰাণ হেৰুওৱা ভাৰতীয় নাবিকসকললৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰাৰ উদ্দেশ্যে মিন্নেহেলন দ্যা হল অব ৰিমেম্বেৰেঞ্চ স্মাৰক পৰিদৰ্শন কৰিব। মন্ত্ৰীগৰাকীৰ সৈতে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াৰ লগতে ব্যক্তিগত খণ্ডৰ আগশাৰীৰ কোম্পানীৰ এটা প্ৰতিনিধি দলো যাব।

ooooo

পাকিস্তানত বেলুচিস্তান প্ৰদেশত বেলুচ লিবাৰেচন আৰ্মীৰ স্বাধীনতা সংগ্ৰামীসকলে চুৰাব চহৰখন সম্পূৰ্ণৰূপে নিজৰ দখললৈ নিয়ে।  প্ৰদেশখনৰ সকলো সামৰিক, প্ৰশাসনিক আৰু আৰ্থিক গাঁথনিসমূহ বেলুচ লিবাৰেচন আৰ্মীয়ে অচল কৰি পেলায়।  বিএলএৰ মুখপাত্ৰ

জীয়ান্দ বালোচে জনোৱা অনুসৰি তিনি ঘণ্টাৰো অধিক সময় ধৰি চলা এই অভিযানত তেওঁলোকৰ যুদ্ধাসকলে অৰ্ধসামৰিক বাহিনীৰ চাউনি, আৰক্ষী থানা, উপায়ুক্তৰ কাৰ্যালয়, চৰকাৰী অতিথিশালা, আৰু বেংকসমূহ নিজৰ দখললৈ নিয়ে আৰু আন্তঃগাঁথনিৰ ক্ষতিসাধন কৰে। তেওঁ দাবী কৰে যে বিএলএই চুৰাব চহৰখন সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰি কুৱেটা-কাৰাচি আৰু চুৰাব-গিদাৰ মূল ঘাইপথত চেকপইণ্ট স্থাপন কৰিছে । ইয়াৰদ্বাৰা স্নেপ চেকিঙৰ জৰিয়তে প্ৰদেশ খনৰ ভিতৰত চলাচলৰ ওপৰত কঠোৰ নিষেধাজ্ঞা আৰোপ কৰিছে । বৰ্তমান বেলুচিস্তানৰ বাসিন্দাসকলে পাকিস্তানৰ পৰা স্বাধীনতাৰ বাবে যুঁজ দি আছে। বেলুচিস্তানৰ বিভিন্ন মানৱ অধিকাৰ সংগঠনে প্ৰদেশখনত পাকিস্তানী বাহিনীৰ দমনৰ ওপৰত বাৰে বাৰে আলোকপাত কৰি আহিছে।

ooooo

নাগালেণ্ডত এটা গুৰুত্বপূৰ্ণ ঘটনাক্ৰমত নেচনেলিষ্ট কংগ্ৰেছ পাৰ্টীৰ ৭ গৰাকী বিধায়কৰ আটাইকেইগৰাকীয়ে নেচনেলিষ্ট ডেমʼক্ৰেটিক প্ৰগ্ৰেছিভ পাৰ্টী NDPP ত যোগদান কৰিছে। বিধানসভাৰ অধ্যক্ষ ছাৰিংগেন লোংকুমেৰে নেচনেলিষ্ট কংগ্ৰেছ পাৰ্টীৰ ৭ গৰাকী বিধায়কক এন ডি পি পিত যোগদান কৰাৰ অনুমতি প্ৰদান কৰি ইতিমধ্যে নিৰ্দেশ জাৰি কৰিছে। ইয়াৰ লগে লগে ৰাজ্যখনৰ ৬০ জনীয়া বিধানসভাত এন ডি পি পিৰ সদস্যৰ সংখ্যা ৩২ লৈ বৃদ্ধি পালে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হʼবলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত পাঁচবাৰৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হʼব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হʼব। এই খেলখনত জয়লাভ কৰা দলটো মঙলবাৰে একেখন ষ্টেডিয়ামত হʼবলগীয়া ফাইনেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হʼব। মুম্বাই ইণ্ডিয়ানছে বৰ্তমানলৈকে পাঁচবাৰ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। ইয়াৰ বিপৰীতে পাঞ্জাবে প্ৰতিযোগিতাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে খিতাপ অৰ্জনৰ চেষ্টা চলাব।

ooooo

সমাপ্ত